**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-08-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আজি ৪৫৭ সংখ্যক তিৰোভাব তিথি উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে গুৰুজনাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি ধৰ্মীয় কাৰ্যসূচী অনুষ্ঠিত হয়। গুৰুজনাৰ তিথি উপলক্ষে আজি ৰাজ্যৰ নামঘৰ আৰু সত্ৰসমূহত পুৱাৰে পৰা হৰিনামৰ পৱিত্ৰ ধ্বনিৰে মুখৰ হৈ উঠে।

পাঠশালাৰ হৰি মন্দিৰ প্ৰাঙ্গনত দিনযোৰা কাৰ্যসূচীৰে গুৰুজনাৰ তিৰোভাৱ তিথি পালন কৰা হয়। তিৰোভাৱ তিথি উপলক্ষে আয়োজন কৰা মুকলি সভাত প্ৰবীন গান্ধীবাদী নেতা হেমভাই উপস্থিত থাকি গুৰুজনাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ সকলোকে আগুৱাই যাবলৈ আহ্বান জনায়। বজালী আধ্যাত্মিক গীতা সত্ৰৰ সত্ৰাধিকাৰ মথুৰামোহন তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত নগাওঁ নৰ্নৈ কলেজৰ অসমীয়া বিভাগৰ মুৰববী অধ্যাপক ড° বসন্ত বৰা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। বৰাক উপত্যকাটো আজি জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৭ সংখ্যক তিৰোভাব তিথি উপলক্ষে ভক্তসকলে ধৰ্মীয় কাৰ্যসূচী অনুষ্ঠিত কৰে। শ্ৰী ভূমি জিলাৰ বৰগোলৰ শ্ৰীমন্ত শংকৰদেৱ নামঘৰত এই উপলক্ষে নাম-প্ৰসংগ আৰু অন্যান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। গুৱাহাটী মহানগৰীৰ নামঘৰসমূহতো আজি গুৰুজনাৰ তিৰোভাৱ তিথি পালন কৰা হয়।

ooooo

ডিব্ৰুগড়ৰ নামচাং চাহ বাগিছা আদৰ্শ বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱজিৎ ঘোষ ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় শিক্ষক বঁটাৰ বাবে নিৰ্বাচিত হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমৰ এটা বাৰ্তাত এইকথা সদৰি কৰিছে। বাৰ্তাটোত তেওঁ কয়, যে এই সন্মানে ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰখনক গৌৰৱান্বিত কৰাই নহয়, চাহ বাগিছা অঞ্চলৰ শৈক্ষিক ক্ষেত্ৰখনলৈও আশাৰ বাৰ্তা বহন কৰিছে। এই কৃতীত্বই ৰাজ্যৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে শৈক্ষিক সমাজখনক অনুপ্ৰেৰণা যোগাব বুলিও শিক্ষামন্ত্ৰীগৰাকীয়ে বাৰ্তাটোত উল্লেখ কৰে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে ২০২৩ চনত দেৱজিৎ ঘোষ ৰাজ্যিক কৃতী শিক্ষক বঁটাৰে সন্মানিত হৈছিল।

ooooo

ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত শীঘ্ৰেই দুহেজাৰ ঠিকাভিত্তিক পদত নিযুক্তি দিয়া হ'ব। বিভাগীয় মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কালি বজালী জিলাৰ পাঠশালাত আয়োজিত এটা অনুষ্ঠানত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে অহা দুই-তিনি মাহৰ ভিতৰত সম্পূৰ্ণ স্বচ্ছ আৰু নিকাভাৱে এই নিযুক্তি প্ৰদান কৰা হ'ব।

ooooo

বাক্সা জিলাৰ শালবাৰীস্থিত হস্ততাঁত বস্ত্ৰশিল্পৰ কাৰ্যালয়ত আজি শালবাৰী জিলা ইউ পি পি এলৰ টি চি এল চি চিৰ অধ্যক্ষ বিনোদ মুছাহাৰীয়ে ২০গৰাকী শিপিনীক **জেকাৰ মেচিন** বিতৰণ কাৰ্যসূচী মুকলি কৰে।

অনুষ্ঠানৰ আৰম্ভণিতে শিপিনীসকলক লৈ এখন সাধাৰণ সভাৰ আয়োজন কৰা হয়। চৰকাৰৰ জেকাৰ মেচিন প্ৰদান আঁচনিৰ জৰিয়তে শিপিনীসকল স্বাৱলম্বী হ'ব পাৰিব বুলি আশা কৰা হৈছে।

০০০০০

যোৰহাট জিলা কৃষি আৰু ৰাজহ বিভাগৰ যৌথ উদ্যোগত ভূমিৰ নামজাৰি সম্পৰ্কীয় সমস্যাৰ তৎকালীন সমাধানৰ লগতে কৃষক পঞ্জীয়ন সুনিশ্চিত কৰাৰ উদ্দেশ্যে কাইলৈৰ পৰা জিলাখনত কৃষি ৰাজহ আদালতৰ ব্যৱস্থা কৰিছে। এই আদালতৰ অধীনত জিলাখনৰ প্ৰতিটো ৰাজহ চক্ৰৰ প্ৰতিখন ৰাজহ গাঁও সামৰি লোৱা হ'ব। নামজাৰি সম্পৰ্কীয় সমস্যাৰ বাবে যিসকল কৃষকে এতিয়ালৈকে কৃষক পঞ্জীয়ন কৰিব পৰা নাই তেওঁলোকক নিকটৱৰ্তী শিবিৰলৈ আহি ভূমি সম্পৰ্কীয় সমস্যাৰ সমাধান কৰিবলৈ কৃষি বিভাগে আহ্বান জনাইছে। উল্লেখযোগ্য যে কৃষি ৰাজহ আদালত তথা কৃষক পঞ্জীয়নৰ শিবিৰসমূহত উত্তৰাধিকাৰী সূত্ৰে পোৱা মাটিৰ নামজাৰি, মাটিৰ নথিত নাম শুধৰণি, একচনীয়া পট্টাৰ পৰা ম্যাদীপট্টালৈ পৰিৱৰ্তন অথবা বছৰেকীয়া পট্টাৰ পৰা সাময়িক পট্টালৈ পৰিৱৰ্তন, ই-খাজানাৰ লগতে ভূমি সম্পৰ্কীয় আন কেইবাটাও সেৱা আগবঢ়োৱা হ'ব।

০০০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ জাগৃতি আঁচনিৰ অধীনত মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আজি পূব মাজুলীৰ মুদৈ গাঁৱৰ পূণ্যলয়ত এখন আইন সম্পৰ্কীয় সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব সন্দিপ কৌশিক, জিলা মুখ্য আইন প্ৰতিৰক্ষা অধিবক্তা বুদ্ধেশ্বৰ পামেগাম আৰু প্ৰাধিকৰণৰ বিষয়ববীয়াসকলে আইন সম্পৰ্কীয় বহু বিষয় ৰাইজক অৱগত কৰে।

০০০০০

গুৱাহাটী বেটকুছি হাইস্কুলৰ ছোৱালী দলটোৱে ৬৪ সংখ্যক সুব্ৰত কাপ আন্তৰ্জাতিক ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতীয় বায়ু সেনাই আয়োজন কৰা প্ৰতিযোগিতাৰ ছেমি ফাইনেলত অসমৰ দলটোৱে কেৰালাৰ লালবাহাদুৰ শাস্ত্ৰী মেমোৰিয়েল হায়াৰ চেকেণ্ডাৰী স্কুলৰ ছোৱালীৰ দলটোক ৪-১ গলৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। নতুন দিল্লীৰ ড° আম্বেদকাৰ ষ্টেডিয়ামত চলি থকা ১৭ বছৰ অনুৰ্ধৰ প্ৰতিযোগিতাখনত বেটকুছি হাইস্কুলৰ দলটোৰ হৈ মেৰী মেছে ৩ টাকৈ গ'ল দিয়ে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে গ্ৰুপৰ অন্তিমখন খেলত অসমৰ ছোৱালীৰ দলটোৱে শ্ৰীলংকা ফুটবল ফেডাৰেছনৰ ছোৱালীৰ দলটোক ৬-০ গ'লত পৰাস্ত কৰিছিল।

০০০০০

যোৰহাট জিলাৰ তিতাবৰৰ বিশিষ্ট সমাজকৰ্মী নামৰূপ সাৰ কাৰখানাৰ অৱসৰপ্ৰাপ্ত অভিযন্তা আতিকুৰ ৰহমানৰ আজি বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৯ বছৰ। আতিকুৰ ৰহমান অঞ্চলটোৰ কেইবাটাও সামাজিক অনুষ্ঠানৰ সৈতে জড়িত থকাৰ লগতে তিতাবৰ কলাতীৰ্থ সংগীত মহাবিদ্যালয়ৰ উপদেষ্টা হিচাপে সেৱা আগবঢ়াইছিল।

০০০০০

ঃঃ সমাপ্ত ঃঃ